জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৫/২০২৩**

# টিপাম দেওশালীত কেন্দ্ৰীয়ভাৱে আয়োজিত মে-ডাম্-মে-ফী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## মে-ডাম্-মে-ফী পূজাই অতীত আৰু বৰ্তমানক নিবিড়ভাৱে সংলগ্ন কৰি ৰাখে ঃ মুখ্যমন্ত্ৰী

## চ্যু-কা-ফাৰ সমন্বয়ৰ আদৰ্শৰে বৰ অসমৰ ভেটি শক্তিশালী কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৩১ জানুৱাৰী ঃ** অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত আজি নাহৰকটীয়াৰ টিপাম দেওশালীত কেন্দ্ৰীয়ভাৱে আয়োজিত মে-ডাম্-মে-ফী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশ গ্ৰহণ কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজনৈতিক আৰু সাংস্কৃতিকভাৱে অসমীয়া মানুহৰ বৈশিষ্ট্যপূৰ্ণ চৰিত্ৰ নিৰ্মাণ কৰি আহোম ৰাজত্বই যি বৰ্ণিল ইতিহাস গঢ়ি গ'ল সেয়া অসমীয়া জাতিৰ বাবে পৰম গৌৰৱৰ বিষয়। অসমীয়া মানুহৰ ভাষিক, সামাজিক, আধ্যাত্মিক জীৱনধাৰাত প্ৰৱাহিত কৰি যোৱা অম্লান সোঁতটিৰে আজি অসমীয়া জাতিয়ে প্ৰত্যয়দীপ্তভাৱে আগুৱাই যাবলৈ সক্ষম হৈছে। আহোমৰ শাসনকালৰ ইতিহাসৰ সৈতে টিপাম সংযুক্ত হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আহোম ৰাজত্বৰ ঐতিহাসিক যিবোৰ পৰ্যায় সোণালী আখৰেৰে অংকিত হৈ আছে সেই সমূহৰ ভিতৰত টিপাম অন্যতম। তেওঁ কয় যে আহোম বুৰঞ্জীত চৰাইদেউৰ পিছতে টিপামৰ গুৰুত্ব সৰ্বাধিক। অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাপক স্বৰ্গদেউ চাওল্যুং চ্যু-কা-ফাৰ এক কৰ্মজীৱনৰ সূচনা টিপামতে হৈছিল বুলিও তেওঁ কয়। চ্যু-কা-ফাৰ সমন্বয়ৰ আদৰ্শৰে বৰ অসমৰ ভেটি শক্তিশালী কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে টিপাম পাহাৰৰ ওপৰত থকা প্ৰাচীন দেওশালখনেই প্ৰমাণ কৰে ইয়াৰ আধ্যাত্মিক স্বৰূপ। এই দেওশালতে চ্যু-কা-ফাই পূজা কৰিছিল আৰু পৰৱৰ্তী পৰ্যায়তো এই পূজা পাতল আহোম পুৰোহিতসকলে অব্যাহত ৰাখিছিল। এই টিপামেদিয়েই নৰা দেশৰ জাংফাই, ডালিমা বাখৰ, গোম চেং, চীনা পাটৰ কাপোৰ, চীনা মাটিৰ বাচন, বৰ্মাৰ অন্যান্য বহুমূলীয়া মুকুতা-মণি আৰু অনেক বস্তু আহিছিল বুলি তেওঁ কয়। আহোমৰ ৰাজত্বত টিপাম পূৱ দেশৰ সৈতে যোগাযোগৰ সংযোগী ক্ষেত্ৰ হৈ পৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই টিপামতে চ্যু-কা-ফাই অসমৰ কৃষি অৰ্থনীতিৰ ভেটি অধিক শক্তিশালী কৰি তুলিছিল।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আহোমসকল নিজস্ব কৃষ্টি-সংস্কৃতি আৰু আধ্যাত্মিক জীৱনধাৰাৰ প্ৰতি আগ্ৰহী আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পূজা-পাতল আৰু উৎসৱ-পাৰ্বনসমূহে আহোমৰ বৰ্ণাঢ্য লোকজীৱনৰ পৰিচয় দাঙি ধৰে। তেওঁ কয় যে মে-ডাম্-মে-ফী আহোমসকলৰ এক গুৰুত্বপূৰ্ণ পূজা। ইয়ে উপৰিপুৰুষ আৰু দেৱতাসকলক পূজা দিয়াকে সূচায়। এই পূজাই অতীত আৰু বৰ্তমানক নিবিড়ভাৱে সংলগ্ন কৰি ৰাখে। অতীতৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ সুযোগ প্ৰদান কৰে বুলিও তেওঁ কয়। এই পূজা ৰাজকীয় আৰু সামূহিকভাৱে উদ্‌যাপন কৰা হৈছিল। বহু কেইগৰাকী স্বৰ্গদেউৱে মে-ডাম্-মে-ফী অনুষ্ঠিত কৰাৰ কথা বুৰঞ্জীৰ পৰা জানিব পৰা যায়।

মুখ্যমন্ত্ৰীয়ে কয় যে চ্যু-কা-ফাই অসমীয়া মানুহক ভাষিক, সামাজিক, সাংস্কৃতিক স্বৰূপ প্ৰদান কৰি ৰাজনৈতিকভাৱে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন জনগোষ্ঠীক একত্ৰিকৰণৰ জৰিয়তে ৰাজনৈতিক, প্ৰশাসনিক, সামাজিক আৰু সাংস্কৃতিকভাৱে এক নতুন স্বৰূপ প্ৰদান কৰে। লাচিত বৰফুকন শৌৰ্য-বীৰ্যৰ প্ৰতীক আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শৰাইঘাটৰ ৰণত লাচিত বৰফুকনৰ নেতৃত্বত আহোম সেনাৰ জয়লাভে অসমৰ সাৰ্বভৌমত্ব ৰক্ষা কৰাই নহয়, সমগ্ৰ দক্ষিণ পূব এছিয়াক আগ্ৰাসী শক্তিৰ কবলৰ পৰা ৰক্ষা কৰিছিল। অসম চৰকাৰে লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জয়ন্তী নতুন দিল্লীত উদ্‌যাপন কৰাৰ জৰিয়তে ইমানদিনে উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে সীমাবদ্ধ হৈ থকা লাচিতৰ বীৰগাথা আজি সমগ্ৰ দেশবাসীয়ে জানিবলৈ সক্ষম হৈছে। তেওঁ কয় যে বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভৰ দিশে চৰাইদেউৰ আহোম স্বৰ্গদেউৰ মৈদামস্থলীয়ে সবল খোজ পেলাবলৈ সক্ষম হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে টিপামৰ পথ উন্নয়ন সাধন কৰাৰ লগতে ইয়াক এখন আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। অঞ্চলটোৰ নৱপ্ৰজন্মই যাতে ক্ৰীড়াৰ দিশত আগুৱাই যাব পাৰে তাৰ বাবে এখন হকী ষ্টেডিয়ামো নিৰ্মাণ কৰা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, উদযাপন সমিতিৰ সভাপতি তথা বিধায়ক তৰঙ্গ গগৈ, বিধায়ক তেৰছ গোৱালা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলা পৰিষদৰ সভানেত্ৰী ডেইজী ৰাণী ফুকন শ্যাম প্ৰমুখ্যে বহু গণ্য-মান্য লোক উপস্থিত থাকে।

**হেঃশঃ**
**৩১/১/২০২৩**